OFFICE OF THE DEPUTY COMMISSIONER GOALPARA::ASSAM

অসম চৰকাৰ
উপায়ুক্তৰ কাৰ্য্যালয় ::::::: গোৱালপাৰা

# জাননী

ইয়াৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে- গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অৰ্ন্তগত চৰকাৰী পঞ্জীয়নভূক্ত ৮/৮৪-সাবাং জুৰিয়া মীন মহলৰ অহা ৩১ আগষ্ট, ২০১৮ ইং তাৰিখে ম্যাদ উকলি যাব। সেই হেতুকে উক্ত মীন মহলটোৰ পুনৰ পত্তনৰ বাবে নিবিদা আহ্বান কৰা হ'ল।

চৰকাৰৰ বৰ্ত্তমান নিয়মাৱলী অনুযায়ী উক্ত মীন মহলৰ বছৰি নুন্যতম ৰাজহ ২১,৭০৪.০০ টকা ধাৰ্য্য কৰা হৈছে।

এই নিবিদাসমূহ অতিঃ উপাযুক্তৰ কাৰ্য্যালয় কক্ষত অহা২৭-০৮-২০১৮ ইং তাৰিখৰ দিনৰ ২.০০ বজালৈ গ্ৰহণ কৰা হ'ব আৰু উক্ত তাৰিখৰ দিনৰ ৩.০০ বজাত নিবিদাসমূহ খোলা হ'ব।

## চৰ্ত্তসমূহ -

১। মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় আত্ম-সহায়ক গোট NGO আদিক যোগ্যতাৰ ভিত্তিত নিবিদাযোগে নিৰ্বাচিত কৰি ৪০% শ্ৰেণীভূক্ত মীনমহলটো ৭ বছৰৰ বাবে পত্তন দিয়া হ'ব।

২। এশ শতাংশ অনুসূচীত জাতিৰ লোকেৰে গঠিত সমবায় সমিতি নাইবা অনুসুচীত জাতিৰ বৃত্তিৰ মাছমৰীয়া লোক, আত্মসহায়ক গোট, NGO আদিয়ে নিবিদা দাখিল কৰিব পাৰিব। নিবিদাকাৰী গোৱালপাৰা জিলাৰ আৰু মীন মহলখনৰ ওচৰ-চুবুৰীয়া হ'ব লাগিব।

৩। নিবিদা জিলা উপায়ুক্ত কাৰ্য্যালয়তহে নিৰ্দ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হ'ব।

৪। ইচ্ছুক নিবিদাকাৰীয়ে ২৭-৮-২০১৮ ইং তাৰিখৰ দিনৰ ২.০০ বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব। নিৰ্দ্ধাৰিত সময়ৰ পিচত কোনো নিবিদা গ্ৰহন কৰা নহ'ব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্য-পাতি সহ পূৰণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমান-পত্ৰসমূহ সংলগ্ন কৰি জমা দিব লাগিব-

ক) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট এন.জি.ও আদিয়ে সমবায় সমিতিৰ সহকাৰী পঞ্জীয়ক গোৱালপাৰাৰ এশ শতাংশ প্ৰকৃত মাছ মৰীয়াৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰত উল্লেখিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিৰ সকলো সদস্য অনুসূচীত জাতিৰ লোক বুলি উল্লেখ থাকিব লাগিব।

খ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিয়ে সংশ্লিষ্ট চক্ৰ বিষয়াৰ পৰা মীনমহলখনৰ ওচৰ চুবুৰীয়াৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু

৭। নিৰ্বাচিত নিবিদাকাৰীয়ে প্ৰথম বছৰৰ নিৰ্দ্ধাৰিত মূল ৰাজহৰ ১৫শতাংশ ৰাজহ প্ৰথম কিস্তিৰ ৰাজহ হিচাপে প্ৰস্তাৱ আগবঢ়োৱাৰ দহ দিনৰ ভিতৰত আদায় দিব লাগিব। অন্যথা প্ৰস্তাৱ বাতিল হোৱা বুলি গণ্য কৰা হ'ব আৰু পিচত উপযুক্ত নিবিদাকাৰীলৈ প্ৰস্তাৱ দিয়া হ'ব। তদুপৰি আমানত ধন বাজেয়াপ্ত হ'ব।

৮। তলত দিয়াৰ দৰে বাৰ্ষিক ৰাজহৰ কিস্তি আদায় দিব লাগিব-

ক) ২৫%..................................................১৫ডিচেম্বৰ।

খ) ৫০%..................................................১৫জানুৱাৰী।

গ) ২৫%..................................................১৫ফেব্ৰুৱাৰী।

৯। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰাজহৰ কিস্তি আদায় দিব নোৱাৰিলে নিৰ্ব্বাচিত নিবিদাকাৰীৰ দায়িত্ব আৰু দায়বদ্ধতাত অনুজ্ঞা পত্ৰ বাতিল হ'ব আৰু নিৰ্দ্ধাৰিত নিবিদাকাৰীৰ আমানত ধন বাজেয়াপ্ত কৰা হ'ব। অথবা চৰকাৰে ইচ্ছা কৰিলে সেই নিবিদা বাতিল নকৰি বিলম্বৰ বাবে অতি বেছি এমাহৰ বাবে সময় দি বছৰি ২৫ শতাংশ সুত জৰিমনা আৰোপ কৰাৰ আধিকাৰ থাকিব। দীৰ্ঘ ম্যাদীত মীন মহলৰ বিপৰীতে জমা থকা আমানত ধন মীন মহল অপৰিস্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত মীন মহল পৰিস্কাৰ কৰা কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব।

১০। মীন মহলৰ পৰা ধৃত মাছৰ কিছু অংশ চৰকাৰৰ দ্বাৰা অনুমোদিত এজেন্টৰ ওচৰত অথবা নিৰ্দ্ধাৰিত স্থানত সময়ে সময়ে দিয়া নিৰ্দ্দেশমতে বিক্ৰী কৰিবলৈ মহলদাৰ বাধ্য থাকিব।

১১। অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলৰ মথাউৰি আৰু নলাৰ কোনো ক্ষতি কৰিব নোৱাৰিব নতুবা কোনো মথাউৰি বান্ধিব নোৰৰিব বা নলা, খাৰৈ বান্ধিব নোৱাৰিব বা বিলৰ পাৰ চৰকাৰৰ অনুমতি নোলোৱাকৈ ওখ কৰিব নোৱাৰিব নতুবা কোনো ডিনমাইটৰ প্ৰয়োগ কৰি বা কোনো বিষাক্ত পদাৰ্থেৰে মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু মীন মহলৰ পৰা পানী সিচি বা মাছ ধৰাৰ বাবে কোনো পানীমেটেকা উদ্ভিদ ব্যৱহাৰ কৰিব নোৱাৰিব নতুবা মীন মহলৰ ক্ষতি সাধন কৰিব পৰা কোনো কাৰ্য্য কৰিব নোৱাৰিব। মীন মহলত হোৱা নিকৰী (মোখনা) জাতীয় কোনো উদ্ভিদৰ ওপৰত অনুজ্ঞা প্ৰাপ্তিৰ অধিকাৰ নাথাকিব আৰু মীন মহলত হোৱা এনে জাতীয় উদ্ভিদ বিক্ৰী কৰা বা উঠোৱা ব্যৱস্থা লোৱাৰ অধিকাৰ চৰকাৰৰ হাতত থাকিব। মীন মহলখনৰ দৈনিক ৰক্ষনা-বেক্ষণ পৰিচৰ্য্যা কৰাৰ দায়িত্ব অনুজ্ঞা-প্ৰাপ্তিৰ হাতত থাকিব আৰু সেইমতেই কাম কৰিব লাগিব।

১২। মীন মহলৰ জৰীপ কাৰ্য্য চলোৱা আৰু মীন মহলত প্ৰৱেশ কৰি তথ্য-পাতি সংগ্ৰহ কৰা, পঞ্জীয়ন বহী আৰু অন্যান্য যন্ত্ৰ-পাতি পৰীক্ষা কৰি প্ৰয়োজন বোধে মীন বিভাগৰ বিষয়াই জব্দ কৰিব পাৰিব। এই ক্ষেত্ৰত কিবা অনিয়ম ধৰা পৰিলে ৫০০.০০টকা বা চৰকাৰে সময়ে সময়ে ধাৰ্য্য কৰা মতে জৰিমনা বিহিব পাৰিব। এই ক্ষেত্ৰত অনুজ্ঞা-প্ৰাপ্তিয়ে চৰকাৰক সকলো ধৰণৰ সহায়-সহযোগিতা আৱশ্যক অনুযায়ী আগবঢ়াবলৈ বাধ্য থাকিব। এই সময়ত অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলৰ উন্নয়ণমূলক কাম-কাজ চৰকাৰৰ অনুমতি সাপেক্ষে কৰিব পাৰিব।

১৩। অনুজ্ঞা-প্ৰাপ্তিয়ে বাৰ্ষিক আয়ৰ ১৫শতাংশ ধন চৰকাৰৰ অনুমোদন সাপেক্ষে গুণগত মাছ পোনা প্ৰতিপালনকে ধৰি বিলৰ অন্যান্য উন্নয়ণমূলক কামত ব্যয় কৰিব লাগিব। আনহাতে, মীনমহলৰ পাৰত গাছ-পুলি লগোৱাটো বাধ্যতামূলক হ'ব। অনুজ্ঞা-প্ৰাপ্তিয়ে হাঁহ-কুকুৰা, ছাগলী আদি নিজস্ব ওপৰঞ্চি আয় বৃদ্ধি আৰু আদৰ্শগত পালকৰ বাবে কৰিব লাগিব।

১৪। প্ৰাকৃতিক দুৰ্যোগ্য, খৰাং বতৰ, বানপানী নতুবা মাছৰ বেমাৰ বা বল-পূৰ্ব্বকভাৱে অন্য লোকে মাছ ধৰা, চুৰি হোৱা, বিষক্ৰিয়াৰ দৰে দুৰ্ঘটনাজনিত কোনো কাৰণত ৰাজহ দিব নোৱাৰিৰ আবেদন চৰাকাৰে বিবেচনা নকৰিব।